# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-06-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## HEADLINES

১। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে কাইলৈ দেশৰ ৫৪২ খন লোকসভা আসনৰ ভোটগণনা। বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও শীৰ্ষ নেতাৰ ভাগ্য নিৰ্ণয়। বিয়লি তিনি বজালৈ ফলাফলৰ আভাস পোৱাৰ সম্ভাৱনা।

২। অসমতো ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পুৱা চাৰে ৮ বজাৰ পৰা **জনাদেশ-২০২৪** শীৰ্ষক অনুষ্ঠান।

৩। ঢকুৱাখনাত এগৰাকী ব্যৱসায়ীৰ হত্যাকাণ্ডৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী দল গঠন কৰা হৈছে বুলি আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ প্ৰকাশ।

*আৰু*

৪। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি  শ্ৰীলংকা, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooooo

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। কাইলৈ অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ লগতে আন কেইবাটাও বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰো ভোটগণনা কৰা হ'ব। পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, ভোটগণনাৰ সমগ্ৰ প্ৰক্ৰিয়া তথা ফলাফলসমূহ নিৰ্বাচন আয়োগৰ ৱেবচাইট results.eci.gov.inৰ লগতে ভোটাৰ হেল্পলাইন এপ'ত উপলব্ধ হ'ব। জনসাধাৰণে এই ভোটাৰ হেল্পলাইন এপ' গুগল প্লে' ষ্ট'ৰ অথবা এপ'ল প্লে' ষ্ট'ৰৰ পৰা ডাউনলোড কৰিব পাৰিব। আয়োগে লগতে ৰিটাৰ্ণিং বিষয়া আৰু কাউণ্টিং এজেণ্টসকলৰ বাবে ইয়াৰ ৱেবচাইটত এখন হাতপুথিও প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৭টা পৰ্যায়ত অনুষ্ঠিত এইবাৰৰ লোকসভা নিৰ্বাচন ৫৪২ খন আসনত ৮ হাজাৰৰো অধিক প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ইয়াৰে ১৬ শতাংশ প্ৰাৰ্থী ৰাষ্ট্ৰীয় ৰাজনৈতিক দল হোৱাৰ বিপৰীতে ৪৭ শতাংশ নিৰ্দলীয় প্ৰাৰ্থী আছে।

ইফালে, অসমতো কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্যখনৰ ৫০খন নিৰ্বাচনী জিলাত স্থাপিত ৫২টা ভোটগণনা কেন্দ্ৰত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এই কথা প্ৰকাশ কৰি কয় যে, পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

(অনুৰাগ গোৱেল বাইট)

আনহাতে, মুঠ ৫২টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্ণিং বিষয়াই ১ লাখ ২৮ হাজাৰৰো অধিক ডাক-বেলট লাভ

কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

০০০০০০০০

দেশৰ ৫৪২ খন লোকসভা আসনৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা কাইলৈ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত আৰু স্বচ্ছতা বজাই ৰাখি সম্পন্ন হ'ব। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি এখন সংবাদমেলত এইবিষয়ে প্ৰকাশ কৰি কয় যে  মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে লগতে ৰিটাৰ্নিং বিষয়াৰ টেবলত গণনাকাৰী এজেণ্টসকলক উপস্থিত থাকিবলৈ অনুমতি দিয়া নহয় বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিৰ সত্যতা অস্বীকাৰ কৰে। তেওঁ কয় যে এজেণ্টসকলকো অনুমতি প্ৰদান কৰা হৈছে। তদুপৰি নিৰ্বাচন আয়োগৰ ৱেবছাইটত ভোটগণনা প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় নথিসমূহ লাভ কৰিব পৰা যাব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত ৬৪ কোটি ২০ লাখৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰি অভিলেখ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। নতুন দিল্লীত আজি অনুষ্ঠিত এখন সংবাদমেলত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে লগতে কয় যে এইবাৰৰ নিৰ্বাচনত ৩১ কোটি ২০ লাখৰো অধিক মহিলা ভোটদাতাই নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে আৰু এই সংখ্যা বিশ্বৰ ভিতৰতে সৰ্বাধিক। তেওঁ কয় যে এইবাৰ মাত্ৰ ৩৯ টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। ইয়াৰ আগেয়ে ২০১৯ৰ সাধাৰণ নিৰ্বাচনৰ ৫৪০টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত ঝাৰখণ্ড, চট্টিশগড়, ওড়িশা, মহাৰাষ্ট্ৰৰ লগতে পশ্চিমবংগ, মণিপুৰ আৰু জন্মু-কাশ্মীৰত কোনো গুৰুতৰ হিংসাত্মক ঘটনা সংঘটিত হোৱা নাই। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ সৈতে জড়িত ৪৯৫টা অভিযোগৰ ভিতৰত ৯০ শতাংশতকৈও অধিক নিষ্পত্তি কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। চি ভিজিল এপ যোগে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ৪ লাখ ৩৬ হাজাৰটা অভিযোগ লাভ কৰা হৈছিল বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী কুমাৰে ভোটদাতাসকলক নিৰ্বাচনী প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণৰ বাবে ধন্যবাদ জ্ঞাপন কৰি ভোটদাতাসকলহে প্ৰকৃত বিজয়ী বুলি মন্তব্য কৰে।

০০০০০০০০

দেশৰ অন্য ৰাজ্যসমূহৰ লগতে অসমতো ৫২টা কেন্দ্ৰত কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ইয়াৰ পূৰ্বৰ নিৰ্বাচনত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছিল আৰু তাৰ ৩০ মিনিট পাছত ইভিএম মুকলি কৰাৰ ব্যৱস্থা আছিল যদিও এইবাৰ লোকসভা নিৰ্বাচনত এই নিয়মৰ কিছু সলনি কৰা হৈছে। এইবাৰ ৰিটাৰ্ণিং বিষয়া থকা জিলাৰ ভোটগণনা কেন্দ্ৰত পুৱা ৮ বজাত পোষ্টেল বেলট গণনা আৰম্ভ হ'ব আৰু ৩০ মিনিট পাছত ইভিএম মুকলি কৰা হ'ব। এই স্থানসমূহত পোষ্টেল বেলট গণনাৰ বাবে পৃথক টেবুলৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, বাকী জিলাসমূহত পোষ্টেল বেলট পেপাৰ গণনা কৰা নহয়। সেই ঠাইসমূহত পুৱা ৮ বজাৰ পৰা ইভিএমৰে গণনা আৰম্ভ হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জনোৱা অনুসৰি ভোটগণনা সম্পন্ন কৰিবলৈ ৬৪জন সাধাৰণ পৰ্যবেক্ষকক প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছে। ইফালে, ৰাজ্যখনত সৰ্বমুঠ ১ লাখ ২৮ হাজাৰ ২৯৯টা পোষ্টেল বেলট প্ৰদান কৰা হৈছে।

ৰাজ্যত অন্য জিলাসমূহৰ লগতে ভোটগণনাৰ বাবে বৰপেটা জিলা প্ৰশাসন আৰু জিলা কৰ্তৃপক্ষ সাজু হৈছে। জিলাখনৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব।  মহাবিদ্যালয়খনৰ চাৰিটা কোঠাত ১৪ খনকৈ টেবুলত ভোটগণনা চলিব বুলি নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিছে। ভোটগণনা প্ৰক্ৰিয়াত অসুবিধাৰ সৃষ্টি নহ'বলৈ দায়িত্বত নিয়োজিত বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। একেদৰে ডিফু সংসদীয় সমষ্টিৰ অন্তৰ্গত হাওৰাঘাট, ডিফু আৰু বোকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে জিলাখনত আজি সন্ধিয়া ৫ বজাৰ পৰা ১৪৪ ধাৰা জাৰি কৰা হৈছে।

যোৰহাট লোকসভা সমষ্টিত ৬টা স্থানত ভোট গণনা প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। যোৰহাট সমষ্টিত ১৩টা ৰাউণ্ড আৰু তিয়ক ১৮টা ৰাউণ্ডত ভোটগণনা চলিব। সেইদৰে পোষ্টেল বেলটৰ ক্ষেত্ৰত তিনি তিনি ৰাউণ্ডকৈ গণনা চলিব। লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত ১৪৪ ধাৰা জাৰি কৰা হৈছে। নিৰ্দেশনা অনুসৰি ভোটগণনা আৰু ফলাফল ঘোষণা সম্পূৰ্ণ নোহোৱালৈকে ভোটগণনা কেন্দ্ৰৰ চৌহদৰ ভিতৰত কোনো ধৰণৰ শ্লোগান দিব নোৱাৰিব। লগতে ভোটগণনা কেন্দ্ৰৰ চৌদহৰ বাহিৰত কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে বিজয় উৎসৱ পালন কৰিব নোৱাৰিব। গণনা কেন্দ্ৰৰ এক কিলোমিটৰ ব্যাসাৰ্ধৰ ভিতৰত জনসমাৱেশ, পতাকা, লাঠী, আগ্নেয়াস্ত্ৰলৈ শোভাযাত্ৰা উলিওৱাৰ ক্ষেত্ৰততো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। একেদৰে বাক্সা জিলাত কাইলৈ পুৱা ৫ বজাৰ পৰা পৰহি সন্ধিয়া ৫ বজালৈ ১৪৪ ধাৰা জাৰি কৰিছে।

ইপিনে, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি চৰাইদেউ জিলাৰ সোণাৰীত উপস্থিত হৈ দলীয় নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়।

oooooooo

ৰাজ্যৰ ১৪টা সমষ্টিত কাইলৈ ১৪৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। তিনিটা পৰ্যায়ত অনুষ্ঠিত হোৱা নিৰ্বাচনত কাজিৰঙা সমষ্টিত বিৰোধী মিত্ৰজোঁটৰ হৈ ৰ'জলিনা তিৰ্কী, বিজেপিৰ হৈ কামাখ্যা প্ৰসাদ তাছাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। যোৰহাট সমষ্টিত বিজেপিৰ হৈ তপন কুমাৰ গগৈ, কংগ্ৰেছ নেতা গৌৰৱ গগৈ, ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱাল, লুৰিনজ্যোতি গগৈ, শোণিতপুৰত ৰণজিৎ দত্তই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিজেপিৰ হৈ দৰং-ওদালগুৰিত সাংসদ দিলীপ শইকীয়া, কৰিমগঞ্জত কৃপানাথ মাল্লা, শিলচৰত পৰিমল শুক্লবৈদ্য, নগাঁৱত সুৰেশ বৰা আৰু ডিফুত অমৰ সিং টিছ'ৱে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ বিপৰীতে নগাঁৱত কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ, শিলচৰত দলটোৰ প্ৰাৰ্থী সূৰ্যকান্ত সৰকাৰ, দৰং-ওদালগুৰিত মাধৱ ৰাজবংশী, কৰিমগঞ্জত হাফিজ ৰচিদ আহমেদ চৌধুৰী আৰু ডিফুত জয়ৰাম ইংলেঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, গুৱাহাটী লোকসভা সমষ্টিত বিজেপিৰ হৈ বিজুলী কলিতা মেধি আৰু বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বৰপেটাত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ বিপৰীতে চি পি আই এমৰ হৈ মনোৰঞ্জন তালুকদাৰে প্ৰাৰ্থীত্ব আগবঢ়াইছে। ধুবুৰী সমষ্টিত বিৰোধী মিত্ৰজোঁটৰ ৰকিবুল হুছেইনৰ বিপৰীতে এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

oooooooo

অসম আৰক্ষীয়ে কাইলৈ ভোটগণনাৰ বাবে গুৱাহাটী মহানগৰীত যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গধুৰ বয়-বস্তু পৰিবাহী যান-বাহনৰ চলাচল পুৱা ৪ বজাৰ পৰা ভোটগণনা শেষ নোহোৱা পৰ্যন্ত বন্ধ ঘোষণা কৰা হৈছে। একেদৰে গণনা কাৰ্য হ'বলগীয়া মণিৰাম দেৱান ট্ৰেড চেণ্টাৰলৈ যান-বাহনৰ চলাচল নিয়ন্ত্ৰণৰ বাবে ৰাজীৱ গান্ধী পথটো ন'-পাৰ্কিং জ'ন ঘোষণা কৰাৰ লগতে এই পথটোৰে যান-বাহন চলাচল নিয়ন্ত্ৰণ কৰা হৈছে। ইপিনে, মণিৰাম দেৱান ট্ৰেড চেণ্টাৰলৈ ইণ্ডিয়ান অইল ক'ৰ্পৰেচন লিমিটেডৰ ফালৰ পৰা ছাৰ্ভিচ লেনেৰে কোনো যান-বাহন প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। গড়চুকৰ দিশৰ পৰা অহা যান-বাহনসমূহো পোনপটীয়াকৈ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰৰ সন্মুখেৰে নহাকৈ ফ্লাই অ'ভাৰ হৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে কাইলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৱা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ

সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা চাৰে ৮ বজাৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

oooooooo

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে লখিমপুৰ জিলাৰ ঢকুৱাখনাত সংঘটিত হত্যাকাণ্ড সন্দৰ্ভত বিশেষ তদন্তকাৰী দল গঠন কৰা হৈছে বুলি জানিবলৈ দিছে। তেওঁ মৃত সুনীল গগৈ নামৰ ব্যৱসায়ীজনৰ বাসগৃহত উপস্থিত হৈ  আজি পৰিয়ালৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে যোৱা শনিবাৰে এই ব্যৱসায়ীজনক  দুৰ্বৃত্তই হত্যা কৰিছিল।

oooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে আয় বৰ্হিভূত সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অসম আৰক্ষীৰ নিলম্বিত উপ-আৰক্ষী মহাপৰিদৰ্শক ৰৌনক আলী হাজৰিকাৰ এখন আবেদন আজি নাকচ কৰে। বৈধ আয়তকৈ অধিক সম্পত্তি আহৰণ কৰা সন্দৰ্ভত বিশেষ ন্যায়াধীশৰ আদালতত চলি থকা বিচাৰ প্ৰক্ৰিয়াক প্ৰত্যাহ্বান জনাই অভিযুক্ত হাজৰিকাই উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। সকলো পক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ অন্তত উচ্চ ন্যায়ালয়ে আবেদনখন খাৰিজ কৰে।

oooooooo

গুৱাহাটী মহানগৰীৰ দুটাকৈ স্থানত যোৱানিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। পাণ্ডুৰ গ্ৰাম্য নগৰত এটি পৰিয়ালৰ ঘৰৰ গাৰ্ডৱাল খহি পথ বন্ধ হৈ পৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে ৬ জনকৈ লোকক  উদ্ধাৰ কৰে। মহানহৰীৰ খাৰঘুলিটো আন এক ভূমিস্খলনৰ ঘটনা সংঘটিত দয়। ইপিনে অনিল নগৰ, নবীন নগৰ, হাতীগাঁৱকে ধৰি কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়।

আনহাতে ধাৰাষাৰ বৰষুণৰ ফলত তিনিচুকীয়াতো কৃত্ৰিম বানৰ সৃষ্টি হৈছে। তিনিচুকীয়া নগৰৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে কেইবাটাও উপ-পথ আৰু নগৰৰ বহু অংশ কৃত্ৰিম বানত বুৰ যায়। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় জিলা প্ৰশাসনে বান পীড়িত অঞ্চলত সজাগতা আৰু সাহাৰ্য বিতৰণ কাৰ্যসূচী অব্যাহত ৰাখিছে। ডিব্ৰুগড় জিলাৰ পানীতোলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত বান প্ৰভাৱিত এলেকাৰ পৰিয়ালসমূহক আজি প্ৰশাসনৰ তৰফৰ পৰা সাহায্য সামগ্ৰী আৰু শিশু খাদ্য বিতৰণ কৰা হয়।

oooooooo

তামুলপুৰ জিলাত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অভিযান অহা ২৫ আৰু ২৬ জুনত অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তই খণ্ড উন্নয়ন বিষয়া, চক্ৰ বিষয়া, সমাজ কল্যাণ বিষয়া আদিক বিভিন্ন পৰ্যায়ত সমিতি গঠন কৰি অসুৰক্ষিত শিশু তথা পৰিয়ালসমূহক চিনাক্ত কৰিবলৈ আহ্বান জনায়। এই সম্পৰ্কে সকলো তথ্য অহা ২৫ আৰু ২৬ জুনত আয়োগৰ প্ৰতিনিধিৰ সন্মুখত দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooooo

বঙাইগাঁৱৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ অধ্যক্ষ নৱদীপ পাঠৰ নিৰ্দেশনা মৰ্মে জিলাখনত বানকে ধৰি অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ৰাইজৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত অভিযোগ নিৰাময় বা আৰ্থিক ক্ষতিপূৰণৰ বাবে ৰাজহ চক্ৰ আৰু জিলা পৰ্যায়ত অভিযোগ নিৰাময় বিষয়া

নিয়োগ কৰা হৈছে। সেই মৰ্মে বঙাইগাঁও ৰাজহ চক্ৰৰ বাবে ৰাবেয়া বেগমক, সৃজনগ্ৰাম ৰাজহ চক্ৰৰ বাবে অৰূপ বীৰকামিয়াক, মাণিকপুৰ ৰাজহচক্ৰৰ বাবে ৰাজেশ সিঙক, বৈতামাৰী ৰাজহ চক্ৰৰ বাবে মৈয়েত্ৰী মৰাণক আৰু দাংতল ৰাজহ চক্ৰৰ বাবে কৃতিকা বসুমতাৰীক অভিযোগ নিৰাময় বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে জিলা পৰ্যায়ত অতিৰিক্ত জিলা আয়ুক্ত তথা বঙাইগাঁও জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীনকৰণৰ মুখ্যকাৰ্যবাহী বিষয়া অপূৰ্ব কুমাৰ নাথক এই পদত নিযুক্তি দিয়া হৈছে।

০০০০০০০০

কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত বিদ্যালয়সমূহত কাইলৈৰ পৰা পূৰ্বৰ সময় অনুসৰি পাঠদান আৰম্ভ হ'ব। জিলা আয়ুক্তৰ নিৰ্দেশ মৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে বিদ্যালয়ৰ পাঠদানৰ সময় আগুৱাই জাৰি কৰা নিৰ্দেশনা প্ৰত্যাহাৰ কৰিছে। নিৰ্দেশনাত শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰা সময় অনুসৰি বিদ্যালয়সমূহ আৰম্ভ হ'ব বুলি উল্লেখ কৰা হৈছে।

০০০০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান নলবাৰীৰ উদ্যোগত আজি জিলাখনৰ মৰোৱাৰ আনন্দৰাম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মেলেৰিয়া প্ৰতিৰোধ মাহৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। সমগ্ৰ ৰাজ্যজুৰি ১ জুনৰ পৰা ৩০ জুনলৈ মেলেৰিয়া প্ৰতিৰোধ মাহ পালন কৰা হৈছে। নলবাৰীৰ জিলা স্বাস্থ্য বিভাগে মেলেৰিয়াৰ লগতে ডেংগি, জাপানীজ এনকেফেলাইটিছ, ফাইলেৰিয়া আদিৰ ৰোগৰ লক্ষণ প্ৰতিকাৰ আৰু সাৱধানতা সম্পৰ্কত জন সজাগতা কাৰ্যসূচী অব্যাহত ৰাখিছে। আজিৰ কাৰ্যসূচীত অংশ লৈ যুঁটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কৈলাশ ডেকাই কয় যে উপযুক্ত পৰিকল্পনা, ব্যৱস্থাপনা আৰু সজাগতাৰ জৰিয়তে বাহকজনিত ৰোগ নিৰ্মূল কৰিব পৰা যায়। চলিত বৰ্ষত বৰ্তমানলৈ জিলাখনত মেলেৰিয়াত দুজন আৰু ডেংগিত ১০ জন লোক আক্ৰান্ত হৈছে। অৱশ্যে জাপানীজ এনকেফেলাইটিছত কোনো লোক আক্ৰান্ত হোৱা নাই। আজিৰ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে মেলেৰিয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰে।

০০০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউৰ্য়কৰ নাচাও কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত শ্ৰীলংকাই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে অহা ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ সকলো জিলালৈ নিৰ্দেশনা জাৰি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে শেহতীয়াভাৱে জাৰি কৰা এই নিৰ্দেশনাত নিৰ্ধাৰিত সময়ৰ পাছত নতুন ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ সুবিধা বন্ধ হৈ পৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে নতুন শিক্ষা বৰ্ষৰ দুটা মাহ অতিক্ৰম কৰাৰ পাছতো শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন চলি থকাত কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি ইত্যাদিৰ সুবিধা প্ৰদান কৰিব লাগিব সেয়া থিৰাং কৰাত শিক্ষা বিভাগ অসুবিধাৰ সন্মুখীন হৈছে। ইয়াৰ ফলস্বৰূপে বিদ্যালয় শিক্ষা বিভাগে ৰাজ্যৰ সকলো জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত, জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰু এ আই নামভৰ্তি সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিছে।

০০০০০০০০০

যোৰহাট জিলাৰ টীয়ক ৰবিবৰুৱা গাঁৱৰ নিবাসী তথা ৰবি গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বসন্ত শৰ্মাৰ কালি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ।

oooooooo

ঃসমাপ্তঃ